আজিৰ কাকত আজিয়েই
অষ্টম বৰ্ষপূৰ্তিত
News Next Oneৰ
বিশেষ সংযোজন
অনলাইন দৈনিক

www.newsnextone.com

# e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

TUESDAY, FEBRUARY 27, 2024>> 10 PM www.newsnextone.comৰ অনলাইন নৈশ দৈনিক ।। প্ৰথম বছৰ, সংখ্যা ৬১ Guwahati, Assam ।। মূল্যঃ এটকা


## মণিপুৰত ফুট গধুলিতে তাণ্ডৱ অস্ত্ৰধাৰীৰ

**ইম্ফল, ২৭ ফেব্ৰুৱাৰীঃ** দেশৰ ভিন্ন প্ৰান্তত চলিছে লোকসভা নিৰ্বাচনৰ কুচকাৱাজ। ভোটাৰক আকৰ্ষিত কৰিবলৈ বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰাত ব্যস্ত ৰাজনৈতিক দলসমূহ। কিন্তু দেশৰ আন এটা প্ৰান্তত এখন ৰাজ্যত আজিও হিংসা অব্যাহত আছে। এইখন শেষাংশ ৩ পৃষ্ঠাত

## বিজেপিত যোগ দিবলৈ দিল্লীত বাহৰ পাতিছে ৰাণাই



**ই-সংবাদ, নতুন দিল্লী, ২৭ ফেব্ৰুৱাৰীঃ** অসমত এতিয়া সুযোগ বুজি ৰং সলনি কৰা নেতাৰ অভাৱ নোহোৱা হৈছে। নীতি, আদৰ্শৰ কথা নেতাসকলে মুখেৰে ক'ব লাগে বাবেহে কয়। বিশেষকৈ বিৰোধীৰ দায়িত্ব পালন কৰিবলৈ ধৈৰ্য্য নোহোৱা হৈছে বিৰোধীৰ নেতাসকলৰ। কেৱল ক্ষমতাৰ সোৱাদ লাভৰ বাবে অস্থিৰ হৈ পৰি বিৰোধী নেতাৰ শাসকীয় দললৈ সোঁত শেষাংশ ২ পৃষ্ঠাত



## মহাকাশলৈ যাব ৪ ভাৰতীয়

**থিৰুৱনন্তপুৰম, ২৭ ফেব্ৰুৱাৰীঃ** প্ৰথমবাৰৰ বাবে স্বতন্ত্ৰ শক্তিৰে মহাকাশাত নিজৰ স্থিতি সুদৃঢ় কৰিবলৈ সাজু হৈছে ভাৰত। ভাৰতৰ প্ৰথমটো মানৱ মহাকাশ উৰণ গগনযান অভিযানৰ বাবে শেষাংশ ২ পৃষ্ঠাত

## ৰাজ্যসভা নিৰ্বাচনত কৰ্ণাটকৰ বাদে ২ ৰাজ্যত নিস্তেজ বিৰোধী

# চিলনীৰ দৰে বিজেপিয়ে থপিয়াই নিছে 'কংগ্ৰেছী'ক!

**নতুন দিল্লী, ২৭ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে অনুষ্ঠিত চেমী ফাইনেলত ব্যাপক প্ৰত্যাহ্বানৰ সন্মুখীন হয় বিৰোধী দলসমূহ। উত্তৰ প্ৰদেশ, হিমাচল প্ৰদেশত বিৰোধীৰ বিধায়কে বিজেপিৰ ৰাজ্যসভাৰ প্ৰাৰ্থীক ভোটদান কৰাত বিৰোধী দলসমূহ অস্বস্তিত পৰিছে। উত্তৰ প্ৰদেশত ৭ বিৰোধী বিধায়কে বিজেপিৰ প্ৰাৰ্থীক ভোটদান কৰে। ইপিনে হিমাচল প্ৰদেশত কংগ্ৰেছৰ চৰকাৰ চলি থকাৰ সময়তে কংগ্ৰেছৰ ৰাজ্যসভাৰ প্ৰাৰ্থী পৰাজিত হৈছে। ইয়াৰ লগে লগে হিমাচল প্ৰদেশত কংগ্ৰেছ চৰকাৰ পতন ঘটিব পাৰে বুলিও চৰ্চা হৈছে! শেষাংশ ৪ পৃষ্ঠাত


## 'কা' বিৰোধী আন্দোলন দমন! কঠোৰ হ'বলৈ আৰক্ষীক নিৰ্দেশ

**ই-সংবাদ, ২৭ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ পূৰ্বে সমগ্ৰ দেশত বিতৰ্কিত নাগৰিকত্ব সংশোধনী আইন কাৰ্যকৰী কৰিবলৈ সাজু হৈছে শেষাংশ ৩ পৃষ্ঠাত

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

## বিজ্ঞাপনত মিছা মাতি বিপদত ৰামদেৱৰ পতঞ্জলি

**নতুন দিল্লী, ২৭ ফেব্ৰুৱাৰীঃ** নিজৰ উৎপাদিত সামগ্ৰীৰ বিভ্ৰান্তিকৰ বিজ্ঞাপনেৰে জনতাক বিভ্ৰান্ত কৰিছে ৰামদেৱৰ পতঞ্জলি আয়ুৰ্বেদে। শেহতীয়াকৈ এনে এক অভিযোগেৰে উচ্চতম ন্যায়ালয়ত দাখিল কৰা এক আবেদনৰ মঙলবাৰে শুনানি গ্ৰহণ কৰি সৰ্বোচ্চ ন্যায়ালয়ে পতঞ্জলি



আয়ুৰ্বেদৰ বিভ্ৰান্তিকৰ বিজ্ঞাপন নিষিদ্ধ কৰে। লগতে কোম্পানীটোক তেওঁলোকৰ সামগ্ৰীৰ চিকিৎসামূলক কাৰ্যকাৰিতা প্ৰমাণ কৰিবলৈ গৱেষণা বা প্ৰমাণ দাখিলবলৈও নিৰ্দেশ দিয়ে উচ্চতম ন্যায়ালয়ে। আদালতে কয় যে কোম্পানীয়ে কোনো ধৰণৰ ৰোগ বা চিকিৎসাজনিত পৰিস্থিতিৰ শেষাংশ ৪ পৃষ্ঠাত

প্ৰথম পৃষ্ঠাৰ পৰা...


# মহাকাশলৈ যাব ৪ ভাৰতীয়

প্ৰশিক্ষণ গ্ৰহণ কৰা চাৰিগৰাকী মহাকাশচাৰীৰ নাম মঙলবাৰে ঘোষণা কৰে দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। কেৰালাৰ টুম্বাত বিক্ৰম সাৰাভাই মহাকাশ কেন্দ্ৰত আয়োজিত এক অনুষ্ঠানত প্ৰধানমন্ত্ৰী মোদীয়ে এই চাৰি মহাকাশচাৰীৰ নাম ঘোষণা কৰি তেওঁলোকক 'এষ্ট্ৰনটছ উইং' পিন্ধাই অভিবাদন জনায়। উল্লেখ্য যে, ভাৰতৰ প্ৰথমটো মানৱ মহাকাশ উৰণেৰে বিশ্বৰ বুকুত ইতিহাস ৰচিবলৈ সাজু হোৱা এই চাৰিগৰাকী ভাৰতীয় মহাকাশচাৰী হৈছে গ্ৰুপ কেপ্তেইন প্ৰশান্ত বালাকৃষ্ণন নাইৰ, গ্ৰুপ কেপ্তেইন অংগদ প্ৰতাপ, গ্ৰুপ কেপ্তেইন অজিত কৃষ্ণন আৰু উইং কমাণ্ডাৰ শুভাংশু শুক্লা। এই আটাইকেইগৰাকী মহাকাশচাৰীয়েই বেংগালুৰুৰ এয়াৰক্ৰাফ্ট এণ্ড চিষ্টেম টেষ্টিং ইনষ্টিটিউটৰ অন্তৰ্গত ভাৰতীয় বায়ুসেনাৰ প্ৰশিক্ষিত পাইলট। এই প্ৰথমটো মানৱ মহাকাশ উৰণ অভিযান। ইয়াৰ পূৰ্বে ভাৰতে ৰাকেশ শৰ্মাক ১৯৮৪ চনত ৰাছিয়াৰ সহযোগত মহাকাশলৈ প্ৰেৰণ কৰিছিল। মহাকাশচাৰীসকলে যোৱা কেইবছৰমানৰ পৰা গগনযান অভিযানৰ বাবে প্ৰশিক্ষণ গ্ৰহণ কৰি আছে। ২০২১ চনত ৰাছিয়াত প্ৰশিক্ষণ সমাপ্ত কৰি তাৰ পিছত ভাৰতৰ বিভিন্ন প্ৰশিক্ষণ মডিউলত অংশ লৈছে মহাকাশচাৰী কেইগৰাকীয়ে। প্ৰণিধানযোগ্য যে, গগণযান অভিযানৰ উদ্দেশ্য হৈছে তিনিজনীয়া মহাকাশচাৰীৰ দল এটাক ৪০০ কিলোমিটাৰ উচ্চতাত তিনিদিনৰ বাবে নিম্ন পৃথিৱীৰ কক্ষপথলৈ প্ৰেৰণ কৰা। ভাৰতে স্বতন্ত্ৰভাৱে মহাকাশলৈ মানুহ প্ৰেৰণ কৰা এইটোৱেই হ'ব ভাৰতৰ

প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজেপিত যোগ দিবলৈ দিল্লীত

বৈছো নিৰ্বাচনৰ পূৰ্বে নেতাই দল-সলনি কৰাটো নতুন কথা নহয়। লোকসভা নিৰ্বাচনৰ পূৰ্বে দল সলনিৰ কৰাৰ দৃশ্যপট সঘনাই দেখা গৈছে অসমত। বিভিন্ন দলৰ নেতাই ঠিকনা সলনি কৰিবলৈ উঠি পৰি লাগিছো। পিছ পৰি ন'ৰল কংগ্ৰেছৰ জ্যেষ্ঠ নেতা ৰাণা গোস্বামী। কংগ্ৰেছ এৰি গেৰুৱা বসন পিন্ধিবলৈ সাজু হৈছে ৰাণা গোস্বামী। ইতিমধ্যে দিল্লীত বাহৰ পতা ৰাণা গোস্বামীয়ে কাইলৈ দিল্লীতে বিজেপিত যোগদান কৰিব বুলি এটা সূত্ৰই প্ৰকাশ কৰিছো। আজি নিশাই মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাও দিল্লীলৈ যোৱাৰ সম্ভাৱনা আছো। আজি মাজুলীত মুখ্যমন্ত্ৰী ডº হিমন্ত বিশ্ব শৰ্মা সাংবাদিকৰে মুখামুখি হৈ যোৰহাটৰ প্ৰাক্তন বিধায়ক তথা অসম প্ৰদেশ কংগ্ৰেছৰ কাৰ্যকৰী সভাপতি ৰাণা গোস্বামীয়ে দলীয় গুৰুত্বপূৰ্ণ পদ এৰি বিজেপিত যোগদানৰ খবৰ সন্দৰ্ভত প্ৰতিক্ৰিয়া ব্যক্ত কৰো। ডº হিমন্ত বিশ্ব শৰ্মাই কয় 'ৰাণা গোস্বামী যদি বিজেপিলৈ আহে মই সুখী হম। যি সময়ত বিজেপিৰ জয়-জয়, ময়-ময় অৱস্থাত আছিল, তেনে সময়তো যোৰহাট পৌৰ সভাত জয়ী কৰি ৰাখিব পাৰিছিল কংগ্ৰেছৰ নেতা ৰাণা গোস্বামীয়ে। যদি তেওঁ বিজেপিলৈ আহে মই ব্যক্তিগত ভাবে আদৰণি জনাম।' মুখ্যমন্ত্ৰীৰ মন্তব্যৰ দ্বাৰা এই কথা প্ৰমাণ হয় যে ৰাণা গোস্বামী বিজেপিলৈ অহাটো নিশ্চিত।



মাজুলীৰ ১০,৯৩২টা পৰিয়ালক ভূমি পট্টা প্ৰদান মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ




বিবাহৰ পূৰ্বে জামনগৰত হাতীৰ সৈতে মুকেশ আম্বানীৰ পুত্ৰ অনন্ত আম্বানী

প্ৰথম পৃষ্ঠাৰ পৰা...

# ‘কা’ বিৰোধী আন্দোলন দমন!

কেন্দ্ৰীয় চৰকাৰৰ কাৰ্যকৰী কৰাৰ পাছতে যাতে পূৰ্বৰ দৰে সমগ্ৰ দেশত গণ আন্দোলন কৰিব নোৱাৰে তাৰ প্ৰতি সজাগ হৈছে কেন্দ্ৰীয় চৰকাৰ। আনহাতে বিজেপি শাসিত ৰাজ্যসমূহত বিশেষ সতৰ্কতা অৱলম্বন কৰি পূৰ্বেই গণ আন্দোলন ৰুধিবলৈ সক্ষম হৈছে আৰক্ষী। বিশেষকৈ উত্তৰ-পূৰ্বাঞ্চলত বিশেষভাৱে সতৰ্কতা অৱলম্বন কৰিছে চৰকাৰে। নাগৰিকত্ব সংশোধনী আইন লোকসভাত গৃহীত কৰাৰ সময়তে জ্বলি উঠিছিল সমগ্ৰ উত্তৰ-পূব। পূৰ্বৰ দৰে পৰিস্থিতি যাতে সৃষ্টি নহয় তাৰ প্ৰতি পূৰ্বৰ পৰা ৰাজ্য চৰকাৰৰ দ্বাৰা বন্দোৱস্ত কৰিছে কেন্দ্ৰীয় চৰকাৰে। অসমতো চৰকাৰে আন্দোলন ৰুধিবলৈ ব্যাপক ব্যৱস্থা কৰা হৈছে। অসমৰ সকলো আৰক্ষী থানালৈ সতৰ্কতা জাৰি কৰা হৈছে। অসম আৰক্ষীয়ে ১০ মাৰ্চৰ পৰা সকলো আৰক্ষীৰ ছুটি বাতিল কৰাৰ নিৰ্দেশ জাৰি কৰিছে। বিতৰ্কিত আইনখনৰ বিৰোধিতা কৰা দল-সংগঠনৰ প্ৰতিবাদ দমন কৰিবলৈ আৰক্ষী বাহিনীক সাজু কৰা হৈছে। বিশেষকৈ ২০১৯ চনত আন্দোলনৰ বেছি প্ৰভাৱ পৰা এলেকাসমূহত এতিয়াৰ পৰাই দৃষ্টি ৰাখিছে আৰক্ষীয়ে। ডিব্ৰুগড়, লখিমপুৰ, যোৰহাট আৰু গোলাঘাটৰ আৰক্ষী অধীক্ষক, বিভিন্ন আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়াক আন্দোলন দমন কৰিবলৈ কঠোৰ নিৰ্দেশ দিয়া বুলিও জানিব পৰা গৈছে। বাহন, কন্দুৱা গেছ আদি সামগ্ৰী সাজু কৰিবলৈ নিৰ্দেশ দিয়া হৈছে বুলিও জানিব পৰা গৈছে। অসম আৰক্ষীয়ে আইন কাৰ্যকৰী কৰাৰ পাছত যদি কোনো পৰিস্থিতিৰ সৃষ্টি হয় তেন্তে পৰিস্থিতি নিয়ন্ত্ৰণৰ বাবে চৌদিশৰ পৰা সাজু হৈ আছে। লোকসভা নিৰ্বাচনৰ পূৰ্বে ৰাজ্যৰ পৰিস্থিতি যাতে অস্থিৰ হৈ নুঠে তাৰ বাবে অসম আৰক্ষী সাজু হৈছে। কেইবাটাও নিৰ্দেশনা দি ছুটি বাতিল কৰাৰ লগতে যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ সাজু অসম আৰক্ষী।

প্ৰথম পৃষ্ঠাৰ পৰা...

# মণিপুৰত ফুট গধুলিতে তাণ্ডৱ

ৰাজ্য হৈছে উত্তৰ-পূৰ্বাঞ্চলৰ মণিপুৰ। হিংসাগ্ৰস্ত মণিপুৰৰ খবৰ ল’বলৈ আহৰি নাই ৰাজনৈতিক দলসমূহ তথা কেন্দ্ৰীয় চৰকাৰৰ। যাৰ ফলত নিতৌ হিংসাত্মক ঘটনা সংঘটিত হৈয়ে আছে মণিপুৰত। মঙলবাৰেও হিংসা সংঘটিত হৈছে মণিপুৰত। ফুট গধুলিতে হাতে হাতে অস্ত্ৰ লৈ অহা অস্ত্ৰধাৰীয়ে তাণ্ডৱ চলাই মণিপুৰৰ ইম্ফল পূব জিলাত। ইম্ফল পূব জিলাৰ ৱাংখেত অতিৰিক্ত আৰক্ষী অধীক্ষকৰ বাসগৃহৰ সমীপত নিৰাপত্তাৰক্ষী আৰু অস্ত্ৰধাৰী গোটৰ মাজত সংঘৰ্ষ লাগে। কিন্তু কোনো লোক হতাহত হোৱা নাই বুলি জানিব পৰা গৈছে। জানিব পৰা মতে, অতিৰিক্ত আৰক্ষী অধীক্ষকৰ সৈতে থকা নিৰাপত্তাৰক্ষী আৰু অস্ত্ৰধাৰী গোট এটাৰ মুখামুখি হয়। ফলত সশস্ত্ৰ গোট আৰু নিৰাপত্তাৰক্ষীৰ মাজত সংঘৰ্ষ লাগে। দীৰ্ঘ সময় গুলীয়াগুলী লগাৰ পাছত এলকাটোক ঘেৰি লয় নিৰাপত্তাৰক্ষীয়ে। ফলত অস্ত্ৰধাৰী গোটটোৱে পলায়ন কৰা বুলি জানিব পৰা গৈছে। ফলত স্থানীয় ৰাইজ আতংকিত হৈ পৰে। নিৰাপত্তাৰক্ষীয়ে পৰিস্থিতি নিয়ন্ত্ৰণ কৰি অস্ত্ৰধাৰীৰ বিৰুদ্ধে অভিযান আৰম্ভ কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিলনীৰ দৰে বিজেপিয়ে থপিয়াই

মঙলবাৰে হিমাচলৰ এখন আসনৰ বাবে অনুষ্ঠিত ৰাজ্যসভাৰ নিৰ্বাচনত কেইবাগৰাকীও কংগ্ৰেছ বিধায়কে ক্ৰছ ভোটিং কৰি বিজেপিৰ প্ৰাৰ্থীৰ পক্ষত ভোটদান কৰাত চৰকাৰ পতনৰ আশংকা বৃদ্ধি পাইছে। হিমাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী সুখৱিন্দৰ সিং সুখুৱে কংগ্ৰেছৰ ৫-৬ জন বিধায়কক হাৰিয়ানা আৰক্ষীয়ে লৈ যোৱাৰ অভিযোগ উত্থাপন কৰে। উল্লেখ্য যে, আজি উত্তৰ প্ৰদেশৰ ১০ খন, কৰ্ণাটকৰ ৪ খন আৰু হিমাচল প্ৰদেশৰ এখন ৰাজ্যসভা আসনৰ বাবে ভোটগ্ৰহণ অনুষ্ঠিত হয়। এই নিৰ্বাচনত উত্তৰ প্ৰদেশত শাসকীয় বিজেপিৰ ৮ গৰাকী প্ৰাৰ্থীয়ে জয়লাভ কৰাৰ বিপৰীতে সমাজবাদী পাৰ্টিৰ দুগৰাকী প্ৰাৰ্থীয়ে জয়লাভ কৰে। উত্তৰ প্ৰদেশতো ক্ৰছ ভোটিং কৰি বিজেপিৰ প্ৰাৰ্থীৰ সপক্ষে ভোটদান কৰে এছ.পি আৰু বি.এছ.পিৰ বিধায়কে। উত্তৰ প্ৰদেশত সমাজবাদী পাৰ্টিৰ ৭ জন বিধায়কে এনডিএৰ সপক্ষে ভোটদান কৰে। আনহাতে মায়াৱতীৰ দল বি.এছ.পিৰ একমাত্ৰ বিধায়ক উমাশংকৰেও ভোটদান কৰে বিজেপি প্ৰাৰ্থীগৰাকীক। ক্ৰছ ভোটি কৰা বিধায়কসকলৰ বিৰুদ্ধে বিহিত ব্যৱস্থা গ্ৰহণ কৰা হ'ব বুলি মন্তব্য কৰিছে এছপিৰ অধ্যক্ষ অখিলেশ যাদৱে। ইফালে, ক্ৰছ ভোটিঙৰ পিছতে উত্তৰ প্ৰদেশত বন্ধ কৰি দিয়া হয় ভোটগণনা। পিছত পুনৰ ভোটগণনা আৰম্ভ হয়। আনফালে কংগ্ৰেছৰ অধীনস্থ কৰ্ণাটকত আজি ৪ খন ৰাজ্যসভাৰ আসনৰ বাবে অনুষ্ঠিত ভোটগ্ৰহণত কংগ্ৰেছৰ তিনিগৰাকী প্ৰাৰ্থীয়ে বিজয় লাভ কৰে। ইয়াৰ বিপৰীতে এখন আসনত বিজেপিৰ প্ৰাৰ্থী নাৰায়ণ বন্দিগে জয়লাভ কৰে। কিন্তু আজি সকলোৰে দৃষ্টি নিবদ্ধ হয় হিমাচল প্ৰদেশত। কংগ্ৰেছৰ শাসনত থকা ৰাজ্যখনত এখন আসনৰ বাবে অনুষ্ঠিত হোৱা ৰাজ্যসভাৰ নিৰ্বাচনত বিজেপিৰ প্ৰাৰ্থী হৰ্ষ মহাজনক সমৰ্থন কৰে কংগ্ৰেছৰ ৬ গৰাকী বিধায়কৰ লগতে ৩ গৰাকী নিৰ্দলীয় বিধায়কে। হিমাচলত ক্ৰছ ভোট দিয়া কংগ্ৰেছ বিধায়কৰ ভিতৰত চৰ্চালৈ আহিছে সুজানপুৰৰ বিধায়ক ৰাজেন্দ্ৰ ৰাণা, ধৰ্মশালাৰ সুধিৰ শৰ্মা, কুটলাহাৰৰ দেৱেন্দ্ৰ ভুট্টো, বদসৰৰ আই.ডি লখানপাল, লাহাউল-স্পিতিৰ ৰবি ঠাকুৰ আৰু গাগ্ৰেটৰ চৈতন্য শৰ্মাৰ নাম। ভোটদানৰ পূৰ্বে পুৱা একেখন বাহনতে আটাইকেইজন বিধায়ক বিধানসভাত উপস্থিত হৈছিল। ইফালে ভোটদানৰ পিছত তেওঁলোকৰ সৈতে যোগাযোগ কৰিব পৰা নাই দলটোৱে। মুখ্যমন্ত্ৰী সুখৱিন্দৰ সিং সুখুৱে অভিযোগ কৰিছে যে ভোটদানৰ পিছতে বিধায়ক কেইজনক হাৰিয়ানা আৰক্ষীয়ে লগত লৈ গৈছে। ইফালে হিমাচলৰ তিনিজন নিৰ্দলীয় বিধায়কেও কংগ্ৰেছক সমৰ্থন কৰাৰ কথা কৈছিল। কিন্তু অৱশেষত তেওঁলোকেও ক্ৰছ ভোট কৰি বিজেপিৰ প্ৰাৰ্থীক সমৰ্থন আগবঢ়োৱা পৰিলক্ষিত হয়। এই নিৰ্দলীয় প্ৰাৰ্থীসকলৰ ভিতৰত আছে হামিৰপুৰৰ আশীষ শৰ্মা, ডেহৰাৰ হোছিয়াৰ সিং আৰু নলাগড়ৰ কে.এল ঠাকুৰ। ৬ জন কংগ্ৰেছ বিধায়ককে ধৰি এই নিৰ্দলীয় বিধায়কসকলক চি আৰ পি এফৰ নিৰাপত্তা প্ৰদান কৰা হৈছে। উল্লেখ্য যে, ২০২২ৰ ডিচেম্বৰত অনুষ্ঠিত হোৱা হিমাচলৰ বিধানসভা নিৰ্বাচনত মুঠ ৬৮ খন আসনৰ ভিতৰত কংগ্ৰেছে ৪০ খন আসন দখল কৰি চৰকাৰ গঠন কৰিবলৈ সক্ষম হৈছিল। আনহাতে নিৰ্বাচনত বিজেপিয়ে ২৫ খন আসনত আৰু নিৰ্দলীয় প্ৰাৰ্থীয়ে ৩ খন আসনত জয়লাভ কৰিছিল। কংগ্ৰেছে চৰকাৰ গঠন কৰাৰ পিছৰে পৰাই ৰাজ্যখনত বিজেপিয়ে হৰ্ছ ট্ৰেডিং কৰি চৰকাৰৰ পতন ঘটাবলৈ ষড়যন্ত্ৰ ৰচি অহাৰ অভিযোগ উত্থাপন হৈ আহিছিল। মঙলবাৰে অনুষ্ঠিত ৰাজ্যসভাৰ নিৰ্বাচনত কংগ্ৰেছ বিধায়কে ক্ৰছ ভোটিং কৰি বিজেপিৰ প্ৰাৰ্থীক সমৰ্থন আগবঢ়োৱাৰ পিছতে এয়া বিজেপিৰ চৰকাৰ পতনৰ ষড়যন্ত্ৰ বুলি অভিযোগ কৰিছে কংগ্ৰেছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বিজ্ঞাপনত মিছা মাতি বিপদত

সৈতে জড়িত কোনো সামগ্ৰীৰ বিজ্ঞাপন বা বিক্ৰীৰ পৰা বিৰত থকা উচিত। উল্লেখ্য যে, পতঞ্জলি আয়ুৰ্বেদে তেওঁলোকৰ উৎপাদিত সামগ্ৰীসমূহক লৈ দাবী কৰা বিজ্ঞাপনসমূহ বিভ্ৰান্তিকৰ বুলি অভিহিত কৰা উচ্চতম ন্যায়ালয়ত আবেদন দাখিল কৰিছিল ইণ্ডিয়ান মেডিকেল এছ'চিয়েচনে। মঙলবাৰে এই আবেদনৰ শুনানি গ্ৰহণ কৰি ন্যায়ালয়ে বাবা ৰামদেৱ আৰু আচাৰ্য বালাকৃষ্ণনক আদালতৰ অৱমাননা বাবেও জাননী জাৰি কৰে। আদালতে কয় যে এই ব্যক্তিসকলে উত্তৰ দাখিল কৰিব লাগিব আৰু আদালতৰ নিৰ্দেশ কেনেকৈ অৱজ্ঞা কৰিলে সেই বিষয়ে কাৰণ দৰ্শাব লাগিব। শুনানিৰ সময়ত ন্যায়াধীশ হিমা কোহলী আৰু এ অমানুল্লাই পতঞ্জলি আয়ুৰ্বেদক সমালোচনা কৰি কয় যে যোৱা বছৰ পূৰ্বৰ আদালতৰ নিৰ্দেশৰ পিছতো বিজ্ঞাপন মুকলি কৰা হৈছে। উল্লেখ্য যে, ২০২৩ চনৰ নৱেম্বৰ মাহতো উচ্চতম ন্যায়ালয়ে পতঞ্জলিক সকীয়াই দিছিল যে যদিহে তেওঁলোকৰ সামগ্ৰীয়ে কিছুমান ৰোগ "নিৰাময়" কৰিব পাৰে বুলি ভুৱা দাবী কৰে, তেন্তে ১ কোটি টকা জৰিমনা ভৰিব লাগিব। পতঞ্জলিক তেওঁলোকৰ পূৰ্বৰ সতৰ্কবাণীৰ কথা উল্লেখ কৰি বিচাৰপীঠে কয় যে, "আমাৰ সতৰ্কবাণীৰ পিছতো আপুনি কৈছে যে আপোনাৰ সামগ্ৰী ৰাসায়নিক ভিত্তিক ঔষধতকৈ ভাল।" শুনানিৰ সময়ত বিচাৰপীঠে বিভ্ৰান্তিকৰ বিজ্ঞাপনৰ প্ৰতি সঁহাৰি জনাই সৰ্বানন্দ সোণোৱালৰ অধীনত থকা কেন্দ্ৰীয় চৰকাৰৰ আয়ুস মন্ত্ৰালয়ে গ্ৰহণ কৰা পদক্ষেপক লৈও প্ৰশ্ন উত্থাপন কৰে। ইফালে আদালতত অতিৰিক্ত ছলিচিটৰ জেনেৰেলে পতঞ্জলি আয়ুৰ্বেদৰ অভিযোগ আৰু উলংঘাৰ তথ্য সংগ্ৰহ কৰি থকা বুলি জানিবলৈ দিয়ে। অৱশেষ্যে মন্ত্ৰালয়ৰ সঁহাৰিৰ ওপৰত বিচাৰপীঠে অসন্তুষ্টি প্ৰকাশ কৰি এনে বিজ্ঞাপন সন্দৰ্ভত জৰুৰী ব্যৱস্থা গ্ৰহণ আৰু আত্মনিৰীক্ষণৰ আহ্বান জনায়।

# দেশী জনগোষ্ঠীৰ নেতা শ্বাহনৱাজ হুছেইনৰ অগপত যোগদান



**ই সংবাদ, গুৱাহাটী, ২৭ফেব্ৰুৱাৰীঃ** নামনি অসমৰ ইছলামধৰ্মী দেশী জনগোষ্ঠীৰ ভোটাৰক আকৰ্ষিত কৰাৰ অভিযান আৰম্ভ কৰিছে আঞ্চলিক দল অসম গণ পৰিষদে৷ একালৰ অগপৰ দুৰ্গ নামনি অসমৰ ধুবুৰী লোকসভা সমষ্টিৰ কেইবাটাও বিধানসভা সমষ্টিত দেশী ভোটাৰে নিৰ্ণায়ক ভূমিকা লৈ আহিছে৷ দেশী জনগোষ্ঠীৰ ভোটাৰক অগপমুখী কৰিবলৈ অগপই আৰম্ভ কৰিছে অভিযান৷ ধুবুৰী জিলাৰ দেশী জনগোষ্ঠীক নেতৃত্ব প্ৰদান কৰা কেইবাগৰাকী নেতাকঅগপ দললৈ আনিবলৈ উঠি-পৰি লাগিছে দলটোৱে৷ অধিবক্তা তথা সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ প্ৰাক্তন সভাপতি শ্বাহনৱাজ হুছেইনে আজি অগপ দলত যোগদান কৰে৷ বিলাসীপাৰা নিবাসী তথা বৰ্তমান সদৌ অসম গৰিয়া-মৰিয়া দেশী জাতীয় পৰিষদৰ মুখ্য উপদেষ্টা পদত কাৰ্যনিৰ্বাহ কৰি থকা শ্বাহনৱাজ হুছেইনে অগপ সভাপতি অতুল বৰাৰ উপস্থিতিত দলটোত যোগদান কৰে৷ অগপৰ আমবাৰীস্থিত কাৰ্যালয়ত অনুষ্ঠিত যোগদানকাৰ্যসূচীত শ্বাহনৱাজ হুছেইনৰ লগতে বিভিন্ন দল-সংগঠনৰ বহু সংখ্যকনেতাই অগপত আনুষ্ঠানিকভাৱে যোগদান কৰে৷ অতুল বৰাই অগপৰ পৰিয়াললৈ নতুনকৈ যোগদান কৰা নেতাসকলক দললৈ স্বাগতম জনোৱাৰ লগতে শুভেচ্ছা জ্ঞাপন কৰে। যুৱশক্তিৰ যোগদানে দলটোলৈ এক নতুন গতিশীলতা আনিব বুলি আশা প্ৰকাশ কৰে অতুল বৰাই। লগতে আগন্তুক দিনত দলটোক সেৱাৰ এক মাধ্যম হিচাপে লৈ জাতীয়তাবাদী চিন্তা-চেতনাৰে সংগঠনৰ সংগঠনৰ হকে সমৰ্পিত মনোভাৱেৰে কাম কৰি যাবলৈ আহ্বান জনাই অতুল বৰাই।

# কোকৰাঝাৰত এগৰাকী অচিনাকি লোকৰ মৃতদেহ উদ্ধাৰ

**ই-সংবাদ, কোকৰাঝাৰ, ২৭ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰ জিলাৰ গোসাঁইগাওঁ আৰু চৌতাৰা ৰে'লৱে ষ্টেচনৰ মাজৰ ৰে'ললাইনৰ কাষত আজি পুৱতি নিশা এগৰাকী অচিনাকি লোকৰ মৃতদেহ উদ্ধাৰ হৈছে৷ প্ৰায় ৫৫ বছৰীয়া পুৰুষৰ মৃতদেহটোৰ গাত মলিয়ন চোলা, পেণ্ট, জেকেট হাতত ৰঙা ফিতা বন্ধা আৰু খাৰু এপাট পিন্ধা আছিল। আৰক্ষীয়ে মৃতদেহটো উদ্ধাৰ কৰি মৰণোত্তৰ পৰীক্ষাৰ বাবে প্ৰেৰণ কৰে। মৰণোত্তোৰ পৰীক্ষা সম্পন্ন কৰাৰ পিছত মৃতদেহটো সম্প্ৰতি কোকৰাঝাৰআৰ এন বি অসামৰিক চিকিৎসালয়ৰ মৰ্গত ৰখা হৈছে৷ উল্লেখ্য যে লোকজন ৰে'লৰ খুন্দাত মৃত্যু হোৱা বুলি সন্দেহ কৰা হৈছে আৰু মুখমণ্ডলত আঘাত পোৱাৰ চিন প্ৰত্যক্ষ কৰা হৈছে।

## অসমৰ সংবাদমাধ্যমক বিজেপিৰ হৈ কাম কৰাৰ অভিযোগ

# ড০ হিমন্ত বিশ্ব শৰ্মাক হতাশাগ্ৰস্ত আখ্যা জীতেন্দ্ৰ সিঙৰ

**ই সংবাদ, ২৭ফেব্ৰুৱাৰীঃ অসম** কংগ্ৰেছৰ তত্বাৱধায়ক জীতেন্দ্ৰ সিঙে টুইটাৰত এটা বিবৃতি জাৰি কৰি অসমৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক তীব্ৰ সমালোচনা কৰে৷ জীতেন্দ্ৰ সিঙে হতাশগ্ৰস্ত বিজেপিয়ে নিজৰ কু-অভিসন্ধি চৰিতাৰ্থ কৰিবলৈ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ সংবাদ মাধ্যমক কৌশলেৰে ব্যৱহাৰ কৰি জনতাক বিপথে পৰিচালিত কৰিবলৈ উঠি-পৰি লগাতো অতিশয় দুৰ্ভাগ্যজনক বুলি কয়। অসমতো অধিকাংশ সংবাদ সংস্থাই মুখ্যমন্ত্ৰী তথা বিজেপিৰ চৰ্দাৰ হিমন্ত বিশ্ব শৰ্মাই পতা জালত ভৰি থোৱাত আচৰিত হ'বলগীয়া একো নাই বুলিও কয় জীতেন্দ্ৰ সিঙে৷ জীতেন্দ্ৰ সিঙে ৰাহুল গান্ধীৰ ভাৰত জোড়ো ন্যায় যাত্ৰাৰ কথা উল্লেখ কৰি কয় যে 'অপাৰেচন লোটাছ'ৰ ঘাটিস্বৰূপ হৈ পৰা মই তত্বাৱধায়ক হৈ থকা আনখন ৰাজ্য মধ্যপ্ৰদেশত ন্যায় যাত্ৰা প্ৰৱেশ কৰাত অসমৰ কথাও মনলৈ আহিছে। অসমত যাত্ৰা চলি থকাৰ সময়ছোৱাত আমাৰ নেতা ৰাহুল গান্ধীৰ লগতে প্ৰদেশ কংগ্ৰেছৰ সভাপতি ভূপেন বৰাৰ ওপৰত আক্ৰমণ চলাৰ লগতে ফেক নিউজ বিয়পাই দিয়া হৈছিল। অসমত ন্যায় যাত্ৰাৰ সফলতাৰ অন্তত শংকিত বিজেপিয়ে কংগ্ৰেছ দলৰ বিধায়ক, বিৰোধী দলপতি, প্ৰদেশ কংগ্ৰেছৰ সভাপতি, সৰ্বভাৰতীয় কংগ্ৰেছ সন্দৰ্ভতো প্ৰপ'গাণ্ডাযুক্ত মিছা বাতৰি ষড়যন্ত্ৰমূলকভাৱে সম্প্ৰচাৰ কৰা হৈছে৷ কিন্তু বিজেপিয়ে যিমানেই আমাৰ বিৰুদ্ধে ষড়যন্ত্ৰ ৰচনা নকৰক কিয়, ইণ্ডিয়া এলায়েন্স অধিক শক্তিশালীহে হৈ আছে। পৰিতাপৰ কথা এয়ে যে ভাৰত জোড়ো ন্যায় যাত্ৰাক বিফল কৰিবলৈ বিজেপিয়ে হিতাধিকাৰীকো অস্ত্ৰ হিচাপে প্ৰয়োগ কৰাৰ অভিযোগ উত্থাপন কৰি সিঙে আৰু কয় যে ন্যায় যাত্ৰা যি যি ঠাইৰে পাৰ হৈ গৈছিল সেই ঠাই লাখপতি বাইদেউ আঁচনিৰ আবেদনৰ প্ৰ-পত্ৰ পূৰণৰ দিন নিৰ্ধাৰণ কৰা হৈছিল। আঁচনিৰ বাবে অহা মহিলাসকলে ৰাহুল গান্ধীক নিজেই সাক্ষাৎ কৰিবলৈ ওলাই আহিছিল। ইপিনে গণতন্ত্ৰৰ প্ৰতি আস্থাভাজন দল-সংগঠনে গণতন্ত্ৰ বিৰোধী বিজেপিক প্ৰতিহত কৰিবলৈ একত্ৰিত হোৱা বুলি উল্লেখ কৰি সিঙে অসমৰ বিৰোধী দলে কংগ্ৰেছক সমৰ্থন দিয়াত বিজেপিৰ নিদ্ৰা হৰিছে বুলি অভিযোগ আনে। হিমন্ত বিশ্ব শৰ্মাৰ জালত পৰা সংবাদ সংস্থাসমূহে গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভৰ দায়িত্বক পাহৰি ৰাইজক প্ৰকৃত বাতৰি দিয়াৰ পৰিৱৰ্তে বিজেপিক সুৰক্ষা দিবলৈকেহে যত্নপৰ হোৱা বুলি অভিযোগ উত্থাপন কৰে৷ বিজেপিৰ জালত পৰা সংবাদ মাধ্যমে উদ্বেগজনকভাৱে বৃদ্ধি পোৱা নিবনুৱা সমস্যা, মুদ্ৰাস্ফীতি, অপৰাধ, ৰাষ্ট্ৰীয় সুৰক্ষাৰ প্ৰতি অহা ভাবুকিৰ কথা প্ৰচাৰ নকৰাৰ অভিযোগ উত্থাপন কৰে৷ হিমন্ত বিশ্ব শৰ্মাক হতাশাগ্ৰস্ত আখ্যা দি সিঙে কয় যে কংগ্ৰেছ নেতাসকলক নিজৰফলীয়া কৰিবলৈ সীমা চেৰাই যাবলৈকো কুণ্ঠাবোধ নকৰি বিৰোধী দলপতি দেৱব্ৰত শইকীয়াক বিজেপিত যোগ কৰাবৰ বাবে শইকীয়াৰ মাতৃক লগ কৰিব বুলিও ক'বলৈ এৰা নাই। ইপিনে এই পত্ৰ জাৰি কৰাৰ পাছতে মন্ত্ৰী পীযুষ হাজৰিকাই টুইটাৰতে উত্তৰ দিছে জীতেন্দ্ৰ সিঙক৷ পীযুষ হাজৰিকাই ৰকিবুল হুছেইন, ৰেকিবুদ্দিন আহমেদ, জাকিৰ হুছেইন শিকদাৰ আৰু নুৰুল হুদাৰ বাহিৰে আন সকলো কংগ্ৰেছৰ নেতা-বিধায়ক আমাৰ সৈতে যোগাযোগত আছে বুলি দাবী কৰে৷

# ডিপোটাত ট্ৰাকৰ খুন্দাত থিতাতে নিহত দুই যুৱক

**ই সংবাদ, তেজপুৰ, ২৭ফেব্ৰুৱাৰীঃ** শোণিতপুৰ জিলাৰ সদৰ তেজপুৰত সোমবাৰে নিশা ভয়াবহ পথ দুৰ্ঘটনাত দুই যুৱক নিহত হোৱাৰ খবৰে তীব্ৰ চাঞ্চল্যৰ সৃষ্টি কৰিছে৷ তেজপুৰৰ ডিপোটাত সংঘটিত ভয়ংকৰ দুৰ্ঘটনাত নিজ-বিহগুৰিৰ মানৰ নাথ, সুমন নাথ থিতাতে নিহত হয়৷ জানিব পৰা মতে, নিশা এখন দ্ৰুতবেগী ট্ৰাকে এখ ৰিক্সাক তীব্ৰ গতিত খুন্দা মাৰে৷ ফলত প্ৰায় ১০ মিটাৰ দূৰত গৈ ছিটিকি পৰাত ৰিক্সাৰ ভিতৰৰ তিনিজন লোকৰ ভিতৰত দুই যুৱক মানৰ নাথ, সুমন নাথ থিতাতে নিহত হয় আহত লোকজন হাস্পতালত চিকিৎসাধীন বুলি জানিব পৰা গৈছে৷ জানিব পৰা মতে, নিশা যুৱক কেইজনে এখন বিয়া খাই ঘৰলৈ আহি আছিল৷ দ্ৰুত গতিত অহা ট্ৰাকখনে খুন্দা মৰাত দুই যুৱকে প্ৰাণ হেৰুৱাই৷

## মাজুলীৰ ১০হাজাৰ পৰিয়ালক পট্টা প্ৰদান মুখ্যমন্ত্ৰীৰ

# নামনিত খিলঞ্জীয়াৰ হাতত নাই মাটিৰ অধিকাৰ



**ই-সংবাদ, মাজুলী, ২৭ ফেব্ৰুৱাৰীঃ** আজি মাজুলীৰ ১০,৯৩২টা পৰিয়ালক ভূমি পট্টা প্ৰদান কৰে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই৷ মাজুলীৰ গড়মূৰস্থিত মিনি ষ্টেডিয়ামত মিচন বসুন্ধৰা আঁচনিৰ অধীনত অনুষ্ঠিত অনুষ্ঠানত আধ্যাত্মিকতা আৰু সংস্কৃতিৰ মিলনভূমি মাজুলীৰ ১০,৯৩২ পৰিয়ালক ভূমি পট্টা বিতৰণ কৰি আনন্দিত হৈছো বুলি কয় ড° হিমন্ত বিশ্ব শৰ্মাই। মুখ্যমন্ত্ৰীয়ে কয় যে এই পৰিয়ালসমূহে এতিয়াৰে পৰা তেওঁলোকৰ পৈতৃক ভূমিৰ মালিকীস্বত্ব লাভ কৰিব। নদীদ্বীপ জিলাখনৰ বাসিন্দাসকলৰ ভৱিষ্যৎ সুৰক্ষিত কৰাৰ উদ্দেশ্যে আমি শীঘ্ৰেই 'হেৰিটেজ বেল্ট এণ্ড ব্লক' সৃষ্টিৰ বাবে আইন প্ৰণয়ন কৰিম। ইয়াৰ ফলত তেওঁলোকৰ ভূমি আগন্তুক প্ৰজন্মসমূহৰ বাবেও সুৰক্ষিত হৈ থাকিব। আজি আমাৰ সমগ্ৰ নামনি অসমখনত খিলঞ্জীয়া লোকৰ হাতৰ পৰা মাটিৰ অধিকাৰ গুচি গল, মধ্য অসমৰ পৰাও ভূমি অধিকাৰ নোহোৱা হ'ল। আমাৰ চৰকাৰে যদি বৰপেটা, বটদ্ৰৱা, নাৰায়ণপুৰ, মাজুলীত হেৰিটেজ বেল্ট এণ্ড ব্লক বনাই সুৰক্ষিত কৰিব নোৱাৰো, তেন্তে বহুত দেৰি হৈ যাব। ইতিমধ্যে বৰপেটা, বটদ্ৰৱাত বহুত দেৰি হৈ গৈছে যদিও, যিখিনি আছে সেই খিনিকেই বচাবলৈ আমি প্ৰয়াস কৰিছো বুলি কয় মুখ্যমন্ত্ৰীয়ে। মুখ্যমন্ত্ৰীয়ে আৰু কয় যে বিধানসভাত সাহসেৰে আজিলৈকে কোনেও ক'ব পৰা নাছিল যে মাটিৰ অধিকাৰ প্ৰথমে জনজাতীয় লোক, অনুসূচিত জাতি, আহোঁম, কোঁচ, মৰাণ, মটক, চাহ জনগোষ্ঠী, চুতীয়া লোকে পাব৷ তাৰ পাছতহে বেলেগৰ কথা চিন্তা আহিব। ।মাজুলীত অত্যন্ত জনজাতীয়, খিলঞ্জীয়া, অনুসূচিত জাতিৰ লোকসকলে বসবাস কৰাৰ পিছতো মাজুলীৰ ৰাইজৰ বহুতৰে ভূমিৰ পট্টা নাছিল। লগতে মুখ্যমন্ত্ৰীয়ে মিচন বসুন্ধৰা-২.০ত মাজুলীৰ ৩০ হাজাৰতকৈও অধিক লোকে আবেদন কৰিছিল বুলি উল্লেখ কৰি কয় যে মাজুলীত ২ লাখ ভোটৰ ভিতৰত ৫০ হাজাৰ পৰিয়াল থকা মাজুলীত ৩০ হাজাৰৰে যদি ভূমিৰ পট্টা নাছিল৷ স্বাধীনতাৰ যোৱা ৭৫টা বছৰ কি অৱস্থাত পাৰ কৰিছে সেয়া নকলেও হ'ব। মাজুলীৰ বিধায়ক ভুৱন গামৰ অনুৰোধত মাজুলীৰ দৰিয়া দলং নতুনকৈ নিৰ্মাণ, টুনী নৈ বোৱাই নিবলৈ ২২ কোটি টকাৰ পুঁজি আৱণ্টন দি মাজুলীৰ ৪ হাজাৰ বিঘা কৃষি ভূমি উদ্ধাৰৰ ব্যৱস্থা হাতত লৈছো বুলি কয় মুখ্যমন্ত্ৰীয়ে৷ মুখ্যমন্ত্ৰীয়ে নিজেইকাৰেং চাপৰিৰ পৰা মাজুলীলৈ বাইক চলাই ৰাইজক সাক্ষাৎ কৰে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই৷ প্ৰায় ৩ হাজাৰ দলীয় নেতা-কৰ্মীয়ে উলিওৱা বাইক ৰেলীত নিজেই ৰঙা ৰঙৰ গ্লেমাৰ চলোৱা পৰিলক্ষিত হয়। ঠায়ে ঠায়ে মুখ্যমন্ত্ৰীক ৰাইজে বিপুল আদৰণি জনায়। মুখ্যমন্ত্ৰীয়ে ২০ ফেব্ৰুৱাৰীত গঁড়ৰ আক্ৰমণত নিহত ভকত চাপৰি ১নং পদুমনি গাৱঁৰ পদ্মধৰ ভেৰুৱাৰ কণমানি পুত্ৰৰ হাতত ৪ লাখ টকাৰ এককালিন সাহায্যৰ চেক প্ৰদান কৰে৷ পদ্মধৰ ভেৰুৱাৰ কণমানি পুত্ৰ-পত্নীক ভৱিষ্যতে সহায় কৰাৰ আশ্বাস মুখ্যমন্ত্ৰীৰ। অনুষ্ঠানত সাংসদ প্ৰদান বৰুৱা, বিধায়ক ভুবন গাম, নৰ দলৈ, নৱনীতা সন্দিকৈ উপস্থিত থাকে।

# মুখ্যমন্ত্ৰীৰ সমষ্টিত সুদখোৰৰ টিঘিল-ঘিলনি

**ই-সংবাদ, শুৱালকুছি, ২৭ ফেব্ৰুৱাৰীঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তত সুদখোৰৰ বিৰুদ্ধে কঠোৰ অভিযান চলিছে৷ মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মাই সভা-সমিতিয়ে বাৰে বাৰে সুদখোৰক গ্ৰেপ্তাৰ কৰি গাঁৱৰ সাধাৰণ পৰিয়ালক ৰক্ষা কৰাৰ কথা আহিছে৷ খোদ মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমত পোষ্ট দি কিমান সুদখোৰ গ্ৰেপ্তাৰ হৈছে, কিমান টকা উদ্ধাৰ কৰা হৈছে সেই কথা ৰাইজক অৱগত কৰিছে৷ কিন্তু আঁচৰিত কথা এয়াই যে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ সমষ্টি জালুকবাৰীত আজিলৈ খুদখোৰৰ বিৰুদ্ধে অভিযান চলাবলৈ সাহস কৰা নাই আৰক্ষীয়ে৷ এই অভিযোগ এতিয়া জালুকবাৰী সমষ্টিৰ মানুহৰ মুখে মুখে৷ মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশৰ পিচতো মুকলি আকাশৰ তলত মুক্ত মনে ঘূৰি ফুৰিছে জালুকবাৰী সমষ্টিৰ অন্তৰ্গত শুৱালকুছিৰ সুদখোৰসকল। সুদত টকা দি বিশাল সম্পত্তিৰ পাহাৰ গঢ়া শুৱালকুছিৰ সুদখোৰসকলক নাকী লগবালৈ সাহস হোৱা নাই শুৱালকুছি আৰক্ষীৰ। শুৱালকুছিৰ আশে পাশে বহু সুদখোৰ আছে। সেই দিনৰ পোহৰৰ দৰে স্পষ্ট৷ যিসকলে সুদত টকা দি ৰমৰমীয়া ব্যৱসায় চলাই আহিছে। কোনো চৰকাৰী অনুমতি নোহোৱাকৈ এইসকল সুদখোৰে চলাই আছে ব্যৱসায়। সুদখোৰৰ বিৰুদ্ধে ৰাজ্য বিভিন্ন প্ৰান্তত আৰক্ষীয়ে অভিযান চলাই ইজনৰ পাছত সিজনক গ্ৰেপ্তাৰ কৰি ৰঙা ঘৰলৈ প্ৰেৰণ কৰিছে৷ তেনে সময়তে শুৱালকুছি আৰক্ষী তৎপৰতা শূন্য। শুৱালকুছিৰ বাথান, বংশৰ, ৰৌমাৰী, শ্ৰীহাটী, বামুন্দী আদি অঞ্চলত অবৈধ অনুষ্ঠান যোগে ব্যৱসায়ীসকলক ১০ৰ পৰা ২০ শতাংশ সুদত টকা দিয়াৰ তথ্য সংবাদ মাধ্যমৰ হাতত মজুত আছে যদিও আৰক্ষীয়ে এই বিষয়ত মৌনতা অৱলম্বন কৰিছে৷ আৰক্ষীৰ মৌনতা এতিয়া ৰহস্যৰ বিষয় হৈ পৰিছে। কেৱল অনুষ্ঠানৰ নামতে নহয়, শুৱালকুছি আৰু শুৱালকুছিৰ দাঁতি কাষৰীয়া অঞ্চলত বহুকেইজন সুদখোৰে সাধাৰণ লোককো ব্যক্তিগতভাৱে সুদলৈ টকা দি বছৰ বছৰ ধৰি ব্যৱসায় চলাই আছে৷ যদিও শুৱালকুছিৰ আৰক্ষীৰ দৃষ্টিত পৰা নাই এইসকল সুদখোৰ। যাৰ ফলত অঞ্চলটোৰ বহু পৰিয়াল, ব্যৱসায়ী সৰ্বস্বান্ত হৈ বিক্ৰী কৰিবলগীয়া হৈছে সম্পত্তিৰ লগতে সোণৰ আ-অলংকাৰ। বহু ভুক্তভোগী পৰিয়লে সুদ সময়মতে পৰিশোধ কৰিব নোৱাৰাৰ ফলত সুদখোৰক পৰিশোধৰ নামত জমা দিবলগা হয় আ-অলংকাৰ, গাড়ীৰ নথি-পত্ৰ। এনে উদাহৰণ বহু আছে৷ শেহতীয়াকৈ মুখ্যমন্ত্ৰীৰ কঠোৰ নিৰ্দেশৰ পাছতে ৰাজ্য বিভিন্ন প্ৰান্তত আৰক্ষীয়ে অভিযান চলাই আটক কৰিবলৈ সক্ষম হৈছে বহু সুদখোৰক। তাৰ বিপৰীতে সুদৰ ব্যৱসায়ৰে পাহৰ সদৃশ ধন আৰ্জন কৰা শুৱালকুছিৰ সুদখোৰসকলে মুক্তমনে ঘূৰি থকা পৰিলক্ষিত হৈছে৷ ইয়াৰ অন্তৰালত অংক থকাৰ অভিযোগ আনিছে ৰাইজে। মুখ্যমন্ত্ৰীৰ গৃহ সমষ্টিতে যদি সুদখোৰৰ বিৰুদ্ধে আৰক্ষীয়ে ব্যৱস্থা লোৱাত কৃপনালি কৰে, তেন্তে ৰাজ্য আন প্ৰান্তত সুদখোৰ বিৰোধী অভিযানৰ পৰিণাম কি হ'ব সেয়া বিচাৰ্য্যৰ বিষয় হৈ পৰিছে।

# কোকৰাঝাৰত মহাযজ্ঞ, থাকিব মুখ্যমন্ত্ৰী

**ই-সংবাদ, কোকৰাঝাৰ, ২৭ ফেব্ৰুৱাৰীঃ** কোকৰাঝাৰৰ গ্ৰীণফিল্ডত অহা ২৯ ফেব্ৰুৱাৰীত বিশ্বশান্তিৰ বাবে মহাযজ্ঞ অনুষ্ঠান অনুষ্ঠিত হ'ব৷ ব্ৰহ্ম ধৰ্ম সমন্বয় সমিতিৰ উদ্যোগত কোকৰাঝাৰ চহৰৰ গ্ৰীণ ফিল্ডত দিনজোৱা কাৰ্যসূচীৰে অনুষ্ঠিত হবলগীয়া মহাযজ্ঞক লৈ ইতিমধ্যে ব্যাপক প্ৰস্তুতি আৰম্ভ হৈছে। বিশ্বশান্তিৰ মহাযজ্ঞত ২৫ টা যজ্ঞকুণ্ডৰ ব্যৱস্থা কৰাৰ লগতে ১২২ গৰাকী পুৰোহিতে পুৰা পাঁচ বজাৰ পৰা যজ্ঞাহুতি দিব৷ ২৯ ফেব্ৰুৱাৰীত পুৱা ৫ বজা পৰা বিয়লি ৫ বজালৈ ১২ ঘণ্টীয়াবিশ্ব শান্তিৰ বাবে অনুষ্ঠিত হবলগীয়া মহাযঞ্জত অসমৰ বিভিন্ন প্ৰান্তৰ পৰা ৪০ সহস্ৰাধিক ভক্তই অংশ লব বুলি আয়োজক সমিতিয়ে সদৰি কৰিছে। এই মহাযঞ্জত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা। ইয়াৰোপৰি মহাযজ্ঞত উপস্থিত থাকিব অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিত দৈমাৰী, ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, কোকৰাঝাৰৰ অভিভাৱক মন্ত্ৰী অশোক সিংহল আৰু বিটিচি প্ৰধান প্ৰমোদ বড়ো৷ উল্লেখ্য যে ১২ ঘণ্টা ধৰি চলিব লগাএই মহাযজ্ঞৰ বাবে ৭০০ কেজিৰো অধিক ঘিউ, কুইণ্টলে কুইণ্টলে খৰি, যজ্ঞত ব্যৱহৃত হ'বলগীয়া ৮০০ কেজিৰো অধিক পঞ্চশস্য আৰু ১০ কুণ্টলৰো অধিক ফলমূলৰ ব্যৱস্থা কৰা হৈছে৷ ইপিনে আজি এক সংবাদমেল যোগে ব্ৰহ্ম ধৰ্ম সমন্বয়ৰক্ষী সমিতিৰ অধ্যক্ষ ড° অজিত বড়োৱে জানিবলৈ দিয়া মতে বিশ্ব শান্তিৰ বাবে আয়োজিত মহাযঞ্জ অনুষ্ঠানৰ সতে সংগতি ৰাখি কাইলৈ অৰ্থাৎ ২৮ ফেব্ৰুৱাৰীত ব্ৰহ্ম ধৰ্মক লৈ এক আলোচনা চক্ৰৰ আয়োজন কৰা হৈছে৷ কোকৰাঝাৰ চহৰৰ সমীপৰ বডোফা সাংস্কৃতিক প্ৰকল্পৰ প্ৰেক্ষাগৃহত অনুষ্ঠিত হবলগীয়া আলোচনা চক্ৰত বিটিচি প্ৰধান প্ৰমোদ বড়ো, মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম এবছুৰ সভাপতি দ্বীপেন বড়ো উপস্থিত থাকিব৷ উক্ত আলোচনা চক্ৰৰ সভাপতিত্ব কৰিব গুৱাহাটী বিশ্ব বিদ্যালয়ৰ অধ্যাপক অনিল বড়োৱে৷ আনহাতে বিশ্ব শান্তিৰ বাবে আয়োজিত মহাযঞ্জত জাতি-ধৰ্ম- নিৰ্বিশেষে সকলোকে অংশগ্ৰহণ কৰাৰ বাবে আহ্বান জনাইছে ব্ৰহ্ম ধৰ্ম সমন্বয়ৰক্ষী সমিতিৰ অধ্যক্ষ ড° অজিত বড়োৱে৷

# দিল্লী-হাৰিয়ানাত প্ৰাৰ্থীৰ নাম ঘোষণা আপৰ

**নতুন দিল্লী, ২৭ ফেব্ৰুৱাৰীঃ** আগন্তুক লোকসভা নিৰ্বাচনৰ বাবে কংগ্ৰেছৰ সৈতে মিত্ৰতা ঘোষণা কৰাৰ পিছতে দিল্লী আৰু হাৰিয়ানাত ৫ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে আম আদমী পাৰ্টিয়ে। আপে ঘোষণা কৰা মতে, নতুন দিল্লীৰ পৰা সোমনাথ ভাৰতীক, দক্ষিণ দিল্লীৰ পৰা চাহিৰাম পেহলৱান, পশ্চিম দিল্লীৰ পৰা মহাবল মিশ্ৰ, পূব দিল্লীৰ পৰা কুলদ্বীপ কুমাৰ আৰু হাৰিয়ানাৰ কুৰুক্ষেত্ৰৰ পৰা সুশীল গুপ্তাক প্ৰাৰ্থিত্ব প্ৰদান কৰা হৈছে। মঙলবাৰে এক সংবাদমেল সম্বোধন কৰি এই প্ৰাৰ্থীসকলৰ নাম ৰাজহুৱা কৰে দিল্লী চৰকাৰৰ মন্ত্ৰী অতিশী, সন্দীপ পাঠক আৰু গোপাল ৰায়ে। উল্লেখ্য যে, যোৱা শনিবাৰে কংগ্ৰেছ আৰু আপে দিল্লী, গুজৰাট, গোৱা আৰু হাৰিয়ানাত আসনৰ ভাগ-বতৰাৰ কথা ঘোষণা কৰিছিল। সেই অনুসৰি দিল্লীত কেজৰিৱালৰ দলে ৪ খন আৰু কংগ্ৰেছে ৩ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ সিদ্ধান্ত লোৱা হৈছিল। ইয়াৰ সমান্তৰালকৈ আম আদমী পাৰ্টিয়ে গুজৰাটৰ ভাৰুচ আৰু ভৱনগৰ আসন আৰু হাৰিয়ানাৰ কুৰুক্ষেত্ৰ লোকসভা আসনতো নিৰ্বাচনত অৱতীৰ্ণ হ'ব। দুয়োটা দলে পঞ্জাৱৰ আটাইকেইখন লোকসভাৰ ১৩খন আসনত পৃথকে পৃথকে নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ সিদ্ধান্ত লৈছে যদিও চণ্ডীগড় লোকসভা সমষ্টিত কংগ্ৰেছে নিজৰ প্ৰাৰ্থী প্ৰক্ষেপ কৰিব। ইফালে দিল্লীৰ আসন বিতৰণৰ ক্ষেত্ৰত জাতি সমীকৰণৰ ক্ষেত্ৰত বিশেষ গুৰুত্ব দিছে আপ-কংগ্ৰেছে। উত্তৰ-পূব, পূব দিল্লী আৰু চান্দনী চ'কৰ আসন কংগ্ৰেছক প্ৰদান কৰা হৈছে। তিনিখন আসনৰ বহু বিধানসভা সমষ্টিত যথেষ্ট মুছলমান জনসংখ্যা আছে। চান্দনী চক, মাটিয়া মহল, বলীমাৰান হৈছে চান্দনী চক মুছলমান প্ৰধান অঞ্চল। পূব দিল্লীৰ ওখলাত মুছলমান জনসংখ্যা অধিক। লগতে উত্তৰ-পূব দিল্লীৰ ছিলামপুৰ, মুস্তাফাবাদ আৰু বাবৰপুৰতো অধিক মুছলমান আছে। এনে পৰিপ্ৰেক্ষিতত এই তিনিখন আসনত কংগ্ৰেছে প্ৰতিদ্বন্দ্বিতা কৰিলে সংখ্যালঘু মুছলমানৰ সমৰ্থন লাভৰ আশা কৰা হৈছে।

## ২০২৪ৰ নিৰ্বাচনৰ পূৰ্বে মহাজোঁটত জোঁটপোট

# বিহাৰত বিজেপিলৈ গ'ল তিনি বিৰোধী বিধায়ক

**পাটনা, ২৭ ফেব্ৰুৱাৰীঃ** লোকসভা নিৰ্বাচনৰ দিন যিমানেই চমু চাপিছে, সিমানেই ৰাজ্যই ৰাজ্যই উঠিছে দল-বাগৰা নেতাৰ উজান। ২০২৪ৰ নিৰ্বাচনৰ পূৰ্বে মহাজোঁটত জোঁটপোট লগাই এইবাৰ বিহাৰত শাসকীয় বিজেপিত চামিল হ'ল তিনি বিৰোধী বিধায়ক। মঙলবাৰে বিজেপিৰ জ্যেষ্ঠ নেতাৰ উপস্থিতিত আনুষ্ঠানিকভাৱে গেৰুৱা বসন পৰিধান কৰে কংগ্ৰেছৰ দুগৰাকী আৰু ৰাষ্ট্ৰীয় জনতা দলৰ এগৰাকী নিৰ্বাচিত বিধায়কে। মঙলবাৰে দল সলনি কৰা বিধায়কসকল হৈছে মুৰাৰী প্ৰসাদ গৌতম, সিদ্ধাৰ্থ সৌৰভআৰু সংগীতা কুমাৰী। বিজেপিত যোগদানৰ পিছতে তিনিওজনে বিহাৰৰ উপ-মুখ্যমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সম্ৰাট চৌধুৰী আৰু বিজয় কুমাৰ সিনহাক সাক্ষাৎ কৰে। উল্লেখ্য যে, মাত্ৰ এমাহ পূৰ্বে বিৰোধীৰ মিত্ৰজোঁট এৰি বিজেপিৰ শৰণাপন্ন হৈ 'ইণ্ডিয়া' মিত্ৰজোঁটত মোক্ষম আঘাত হানিছিল মুখ্যমন্ত্ৰী নীতিশ কুমাৰে। কংগ্ৰেছ আৰু আৰজেডিৰ সৈতে মিলি চৰকাৰ চলাই থকাৰ মাজতে তেওঁ লুটিবাগৰ মাৰি পুনৰ চামিল হৈছিল এন ডি এত। ইয়াৰ পিছতে এইবাৰ তিনি বিধায়কৰ বিজেপি গমনে বিহাৰত বিৰোধীৰ ঐক্যত প্ৰভাৱ পেলাব বুলি আশংকা কৰিছে বিশ্লেষকসকলে। আজি বিজেপিত চামিল হোৱা বিধায়ক কেইজনৰ মাজত আছে কংগ্ৰেছৰ ৰাজ্যিক সভাপতি মদন মোহন ঝাৰ পুত্ৰ সিদ্ধাৰ্থ সৌৰভো। যোৱা বিধানসভা নিৰ্বাচনত বিক্ৰম সমষ্টিৰ পৰা নিৰ্বাচিত হৈছিল সিদ্ধাৰ্থ সৌৰভ। আজি তেওঁৰ লগতে চেনাৰীৰ বিধায়ক মুৰাৰী প্ৰসাদ গৌতম আৰু মহনীয়া সমষ্টিৰ বিধায়িকা সংগীতা কুমাৰীয়েও বিজেপিত যোগদান কৰে। এই বিধায়কসকলে বিজেপিত যোগদান কৰাৰ লগে লগে লোকসভা নিৰ্বাচনৰ বাবে ইণ্ডিয়াৰ ঐক্যজোঁটৰ আসন ভাগ-বতৰাৰ সমস্যা আৰু অধিক বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছে। উল্লেখ্য যে, আগন্তুক লোকসভা নিৰ্বাচনত বিহাৰত আৰজেডি আৰু বাওপন্থী দলৰ সৈতে মিত্ৰতাৰে প্ৰতিদ্বন্দ্বিতা কৰিব কংগ্ৰেছে।

# শেষ পৃষ্ঠা

ALLEN EDUCARE
HOUSE NO.: 4, GUWAHATI COLLEGE ROAD, JYOTINAGAR (NEAR PUB GUWAHATI HIGH SCHOOL)
COMPUTER & MONTESSORY TEACHER TRAINING COURSE
COMPUTER
BCA
DCA
PGDCA
DTP
ADCA
MONTESSORY TEACHER TRAINING COURSE
LESSON PLANS
PRESENTATION CLASS
INTERVIEW SESSION
MOTOR SKILL DEVELOPMENT
HOW TO CREATE PROFESSIONAL BIO DATA
PLACEMENT 100% GUARANTEE
CONTACT US +91 78965-45243
ADMISSION GOING ON

## ভাৰত ৰানাৰ্চ আপ

**অলন্যা (তুৰস্ক), ২৭ ফেব্ৰুৱাৰীঃ** কচ'ভোৰ বিৰুদ্ধে লীগৰ অন্তিম খেলত পৰাস্ত হৈ টাৰ্কিছ উইমেন কাপ ফুটবলত ৰানাৰ্চ আপতে সন্তুষ্ট থাকিবলগীয়া হয় ভাৰতীয় দল। ব্লু" টাইগ্ৰেছ ৰূপে পৰিচিত দলটোৱে আজি ১-০ গ'লত পৰাজিত হয়। এৰেলিটা মেমেটিয়ে ইঞ্জুৰি টাইমত খেলৰ একমাত্ৰ গ'লটো স্ক'ৰ কৰে। তিনিখন খেলৰ পৰা ৯ পইণ্ট পাই কচ'ভো চেম্পিয়ন হয় আৰু ৬ পইণ্ট পাই দ্বিতীয় স্থান অধিকাৰ কৰে ভাৰতে। আজি জয়ী হ'লে ভাৰতীয় মহিলা ফুটবল দলে ছাফ দেশসমূহৰ বাহিৰত প্ৰথমটো ট্ৰফি জয় কৰাৰ গৌৰৱ অৰ্জন কৰিলে হেঁতেন।

## ইতিহাস ৰচনা তনুশ, তুষাৰৰ

**মুম্বাই, ২৭ ফেব্ৰুৱাৰীঃ** মুম্বাইৰ তনুশ কোটিয়ান আৰু তুষাৰ দেশপাণ্ডেই ভাৰতৰ প্ৰথমশ্ৰেণী ক্ৰিকেটত ইতিহাস গঢ়ে। মুম্বাইত চলি থকা ৰঞ্জী ট্ৰফীৰ কোৱাৰ্টাৰ ফাইনেল মেচখনত বৰোডাৰ বিৰুদ্ধে মুম্বাইৰ দ্বিতীয় ইনিংছত শতক অৰ্জন কৰি এখন মেচৰ একেটা ইনিংছতে দশম আৰু একাদশ স্থানৰ বেটাৰ হিচাপে শতৰাণ অৰ্জন কৰে দুয়ো। ইয়াৰ পূৰ্বে কোনো বেটাৰে ৰঞ্জি ট্ৰফিত এনে কৰিবলৈ সক্ষম হোৱা নাছিল। প্ৰথম শ্ৰেণী ক্ৰিকেটত এনে কৰা দ্বিতীয়টো যুটি হিচাপে পৰিগণিত হয় তনুশ-তুষাৰ যুটি ৷ ইয়াৰ পূৰ্বে ১৯৪৬ চনত চাণ্ডু ছৰৱাটে আৰু চুটে বেনাৰ্জীয়ে কাউন্টী ক্ৰিকেটত এই সফলতা অৰ্জন কৰিছিল ৷ উল্লেখ্য যে তনুশ কোটিয়ানৰ অপৰাজিত ১২০ ৰান আৰ তুষাৰ দেশপাণ্ডেৰ ১২৩ ৰানৰ সহায়ত মুম্বায়ে ৫৬৯ ৰানৰ বিশাল স্কোৰ থিয় কৰায় আৰু বৰোডাক ৬০৬ ৰানৰ পৰ্বতসম সদৃশ বিজয়লক্ষ্য বান্ধি দিয়ে ৷ দশম উইকেটৰ যুটিত দুয়ো সংগ্ৰহ কৰে ২৩২ ৰান ৷ মেছখন ড্ৰ ৰূপে সমাপ্ত হ'লেও প্ৰথম ইনিংছত লাভ কৰা অগ্ৰগতিৰ ভিত্তিত মুম্বাইয়ে ছেমিফাইনেলত প্ৰৱেশ কৰে।

## স্বামীৰ বিয়োগত মৰ্মাহত হৈ প্ৰাণ ত্যাগ পত্নীৰ

**ই সংবাদ, গাজিয়াবাদ, ২৭ফেব্ৰুৱাৰীঃ** স্বামীৰ আকস্মিক বিয়োগত মৰ্মাহত হৈ প্ৰাণ ত্যাগ কৰিলে নৱ বিবাহিতা পত্নীয়েও! এই হৃদয় বিদাৰক ঘটনা সংঘটিত হৈছে দিল্লীত। স্বামীৰ হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু ঘটাৰ পিছতে সেই দুখ সহিব নোৱাৰি সপ্তম মহলাৰ পৰা জঁপিয়াই আত্মহত্যা কৰে পত্নীয়েও। জানিব পৰা মতে, গাজিয়াবাদৰ বৈশালী ছেক্টৰ-৩ এলেকাৰ নিৱাসী নৱ বিবাহিত দম্পতী ২৫ বৰ্ষীয় অভিষেক আলুৱালিয়াই পত্নী অঞ্জলিৰ সৈতে সোমবাৰে দিল্লী চিৰিয়াখানালৈ ফুৰিবলৈ গৈছিল। কিন্তু সেই সময়তে হঠাৎ অসুস্থ হৈ ঢলি পৰে স্বামী অভিষেক। লগে লগে যুৱকজনকউত্তৰ-পূব দিল্লীৰ কাৰৱাল নগৰৰ মেক্স হাস্পতাললৈ নিয়া হয় যদিও চিকিৎসকে হৃদৰোগত আক্ৰান্ত হোৱাৰ ফলত মৃত্যু ঘটা বুলি ঘোষণা কৰে। ইফালে যুৱকজনৰ মৃতদেহ হাস্পতালৰ পৰা ঘৰলৈ অনাৰ পিছত কান্দি কান্দি বাউল হৈ পৰা নৱ বিবাহিতা পত্নী অঞ্জলিয়েও জীৱন ত্যাগ সিদ্ধান্ত লয়। যুৱতীগৰাকীয়ে তেওঁলোকৰ সপ্তম মহলাত অৱস্থিত এপাৰ্টমেণ্টৰ বেলকলিনৰ পৰা তললৈ জঁপিয়ায়। ইয়াৰ পিছতে প্ৰচুৰ ৰক্তক্ষৰণ ঘটা অঞ্জলিক এইমছ হাস্পতাললৈ নিয়া হয় যদিও হাস্পতাল পোৱাৰ পূৰ্বেই মৃত্যুক আঁকোৱালি লয় যুৱতীগৰাকীয়ে। উল্লেখ্য যে, মাত্ৰ ছমাহ পূৰ্বে বিবাহ পাশত আবদ্ধ হৈছিল অভিষেক আৰু অঞ্জলি। নৱ বিবাহিত দম্পতীহালে এনেদৰে জীৱন এৰাত শোকত ভাগি পৰিছে তেওঁলোকৰ পৰিয়াল। মন কৰিবলগীয়া যে, শেহতীয়াকৈ দেশত বৃদ্ধি পাইছে হৃদৰোগত আক্ৰান্ত হৈ মৃত্যু ঘটা লোকৰ সংখ্যা। দুদিন পূৰ্বে মধ্যপ্ৰদেশতো হৃদক্ৰিয়া বন্ধ হৈ মৃত্যু ঘটে এজন ২৮ বৰ্ষীয় যুৱকৰ। ক্ৰিকেট খেলি থকাৰ সময়তে আকস্মিকভাৱে ঢলি পৰি মৃত্যুক সাৱটি লোৱা যুৱকজনৰ নাম আছিল দীপক খাণ্ডেকাৰ।



ৰঞ্জিত অভিলেখ সৃষ্টিকাৰী তনুশ-তুষাৰ